रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 18 ] NEW DELHI, THURSDAY, JUNE 13, 2019 / 23 JAISTHA, 1941 (Saka) [ VOL : 5**

নং ১৮ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৩, ২০১৯ / ২৩ জেঠ, ১৯৪১ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০ (২০১০ ৰ ৩৯)

২১ ছেপ্টেম্বৰত, ২০১০ তাৰিখে যথাবিদ্যমান

# নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০
## (২০১০ৰ সংখ্যা ৩৯)

ধাৰাসমূহ ঃ পৃষ্ঠা


| | | |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ | ১ |
| ২। | নালন্দা বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় গুৰুত্বৰ এটা সংস্থাৰূপে ঘোষণা | ২ |
| ৩। | পৰিভাষা | ২ |
| ৪। | নালন্দা বিশ্ববিদ্যালয়ৰ স্থাপন আৰু নিগমন | ৩ |
| ৫। | বিশ্ববিদ্যালয় স্থাপনৰ প্ৰভাৱ | ৩ |
| ৬। | অধিকাৰিতা | ৪ |
| ৭। | পৰিচালনা বোৰ্ড | ৪ |
| ৮। | পৰিচালনা বোৰ্ডৰ ক্ষমতা আৰু কৃত্য | ৫ |
| ৯। | বিশ্ববিদ্যালয়ৰ উদ্দেশ্যসমূহ | ৫ |
| ১০। | বিশ্ববিদ্যালয়ৰ ক্ষমতা | ৬ |
| ১১। | বিশ্ববিদ্যালয়খন সকলো ব্যক্তিৰ বাবে মুকলি থাকিব | ৮ |
| ১২। | কুলাধ্যক্ষ | ৮ |
| ১৩। | বিশ্ববিদ্যালয়ৰ পদাধিকাৰী | ৯ |
| ১৪। | আচাৰ্য্য | ৯ |
| ১৫। | উপাচাৰ্য্য | ৯ |
| ১৬। | পঞ্জীয়ক | ১০ |
| ১৭। | বিত্ত পদাধিকাৰী | ১০ |
| ১৮। | পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক | ১০ |
| ১৯। | গ্ৰন্থগাৰক | ১০ |
| ২০। | আন পদাধিকাৰীসকল | ১০ |
| ২১। | শৈক্ষিক কৰ্মীবৃন্দ, ইত্যাদিৰ বিশেষাধিকাৰ আৰু বিমুক্তি | ১০ |
| ২২। | বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰসকল | ১০ |
| ২৩। | বিদ্যা পৰিষদ | ১০ |
| ২৪। | অধ্যয়ন কেন্দ্ৰ | ১১ |
| ২৫। | বিত্ত সমিতি | ১১ |

২৬। আন প্ৰাধিকাৰসকল ১১
২৭। পৰিনিয়ম ১১
২৮। পৰিনিয়ম কেনেকৈ প্ৰণীত হয় ১২
২৯। অধ্যাদেশ ১২
৩০। বিনিয়ম ১৩
৩১। বাৰ্ষিক প্ৰতিবেদন ১৩
৩২। বাৰ্ষিক হিচাপ, ইত্যাদি ১৩
৩৩। কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্তাৱলী ১৩
৩৪। ছাত্ৰৰ বিৰুদ্ধে অনুশাসনিক গোচৰত আপীল আৰু মধ্যস্থৰ প্ৰক্ৰিয়া ১৪
৩৫। আপীল কৰাৰ অধিকাৰ ১৪
৩৬। ভৱিষ্যনিধি আৰু পেন্সন নিধি ১৪
৩৭। প্ৰাধিকাৰ আৰু নিকায়সমূহৰ গঠনৰ বিষয়ে থকা বিবাদ ১৪
৩৮। আকস্মিক পদৰিক্তিৰ পূৰণ ১৪
৩৯। পদৰিক্তিৰ দ্বাৰা অবিধিমান্য নকৰা প্ৰাধিকাৰ বা নিকায়ৰ কাৰ্য্যবাহী ১৪
৪০। সজবিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা ১৫
৪১। জটিলতা দূৰীকৰণৰ ক্ষমতা ১৫
৪২। পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়ম চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত হ'ব আৰু সংসদত উত্থাপিত কৰা হ'ব ১৫
৪৩। সংক্ৰমনকালীন উপবন্ধ ১৫
৪৪। নালন্দা বিশ্ববিদ্যালয় অধিনিয়মৰ নিৰসন ১৬

# নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০

## (২০১০ৰ সংখ্যা ৩৯)

[২১ ছেপ্টেম্বৰ, ২০১০]

বৌদ্ধিক, দাৰ্শনিক, বুৰঞ্জীমূলক আৰু আধ্যাত্মিক অধ্যয়নৰ অনুসৰণৰ বাবে আৰু ইয়াৰ সৈতে জড়িত আৰু ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে, এখন আন্তঃৰাষ্ট্ৰীয় সংস্থা ৰূপে বিহাৰ ৰাজ্যত নালন্দা বিশ্ববিদ্যালয় স্থাপনৰ বাবে ২০০৭ৰ ১৫ জানুৱাৰীত, ফিলিপিনত অনুষ্ঠিত দ্বিতীয় পূৰ্ব এছীয়া শীৰ্ষ সন্মিলনত আৰু অনুৰৱৰ্ত্তীৰূপে ২০০৯ ৰ ২৫ অক্টোবৰত থাইলেণ্ডত অনুষ্ঠিত চতুৰ্থ পূৰ্ব এছীয় শীৰ্ষ সন্মিলনত উপনীত হোৱা বিনিশ্চয়ক প্ৰয়োগ কৰিবলৈ এখনি অধিনিয়ম।

যিহেতুকে, ফিলিপিন গণৰাজ্যৰ কেবু চহৰত ২০০৭ৰ ১৫ জানুৱাৰীত অনুষ্ঠিত দ্বিতীয় পূৰ্ব এচীয় শীৰ্ষ সন্মিলনে পূৰ্ব এচীয় অঞ্চলৰ শিক্ষাত উৎকৰ্ষ কেন্দ্ৰ গোটাই লৈ আঞ্চলিক শিক্ষামূলক সহযোগীতা শক্তিশালী কৰিবলৈ আৰু আঞ্চলিক বুজা পৰা উন্নীত কৰা আৰু পৰস্পৰে পৰম্পৰা আৰু ইতিহাসৰ মূল্যায়নৰ উন্নতি কৰিবলৈ বিহাৰ ৰাজ্যত অৱস্থিত নালন্দা বিশ্ববিদ্যালয়ৰ পুনৰ আৰম্ভ কৰাৰ বাবে, সন্মত হয়;

আৰু যিহেতুকে, হুৱা, হিন, থাইলেণ্ডত ২০০৯ৰ ২৫ অক্টোবৰত অনুষ্ঠিত চতুৰ্থ পূৰ্ব এচীয় শীৰ্ষ সন্মিলনে, য'ত অংশগ্ৰহণকাৰী দেশসমূহে, সকলো মানৱ জাতিক একত্ৰিত কৰা আধ্যাত্মিকতাক প্ৰতীকস্বৰূপে কৰি য'ত ছাত্ৰ, পণ্ডিত, গৱেষক আৰু শৈক্ষণিক বিষয়াই একেলগে কাৰ্য্য কৰিব পৰা এটা সামুদায়িক শিক্ষা স্থাপন কৰাৰ বিষয়ে, নালন্দা বিশ্ববিদ্যালয়ৰ স্থাপন সমৰ্থন কৰিছে আৰু প্ৰস্তাৱিত নালন্দা বিশ্ববিদ্যালয় আৰু পূৰ্ব এচীয় শীৰ্ষ সন্মিলনৰ বিদ্যমান শিক্ষা উৎকৰ্ষ কেন্দ্ৰৰ মাজত নেটৱৰ্ক আৰু সহযোগক উৎসাহিত কৰিছে;

আৰু যিহেতুকে, বিহাৰ ৰাজ্যত নালন্দা বিশ্ববিদ্যালয়ৰ স্থাপনৰ বাবে আৰু ইয়াক ৰাষ্ট্ৰীয় গুৰুত্বৰ এটা সংস্থা বুলি ঘোষণা কৰাৰ বাবে উক্ত পূৰ্ব এচীয় শীৰ্ষ সন্মিলনত উপনীত হোৱা বিনিশ্চয়ৰ কাৰ্য্যন্বিত কৰাৰ বাবে উপবন্ধ কৰিবলৈ ই সমীচীন বুলি বিবেচিত হয়।

ভাৰত গণৰাজ্যৰ একষষ্ঠিতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ—

*সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০ নামেৰে অভিহিত হ'ব।

(২) ই, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত

বলৱৎ হ'ব আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে।

*নালন্দা বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় গুৰুত্বৰ এটা সংস্থা ৰূপে ঘোষণা।*

২। যিহেতুকে, নালন্দা বিশ্ববিদ্যালয় ৰূপে জ্ঞাত সংস্থাটোৰ বিষয় বস্তুটো, সংস্থাটো এটা ৰাষ্ট্ৰীয় গুৰুত্ব থকা সংস্থাৰূপে সংগঠিত কৰিবলৈ এনে হয়, ইয়াক, ইয়াৰ দ্বাৰা ঘোষণা কৰা হ'ল যে, নালন্দা বিশ্ববিদ্যালয় ৰূপে জ্ঞাত সংস্থাটো ৰাষ্ট্ৰীয় গুৰুত্ব থকা এটা সংস্থা।

*পৰিভাষা*

৩। এই অধিনিয়মত, প্ৰসংগত অন্যথা অপেক্ষিত নহ'লে,—

(ক) "বিদ্যা পৰিষদ" মানে বিশ্ববিদ্যালয়ৰ বিদ্যা পৰিষদ;

(খ) "শৈক্ষণিক কৰ্মচাৰীবৃন্দ" মানে পৰিনিয়মৰ দ্বাৰা শৈক্ষনিক কৰ্মচাৰীৰূপে পদাভিহিত দৰে কৰ্মচাৰীৰ এনে প্ৰকাৰ;

(গ) "কেন্দ্ৰ" মানে পৰিচালনা বোৰ্ডৰ দ্বাৰা এনে কেন্দ্ৰৰ ওপৰত প্ৰদত্ত কৰা দৰে এনে স্থান বা অঞ্চলত কেন্দ্ৰৰ কাৰ্য্যৰ সমন্বয় আৰু পৰ্য্যবেক্ষন কৰাৰ প্ৰয়োজনাৰ্থে আৰু এনে কাৰ্য্যসমূহৰ সম্পাদনৰ বাবে ভাৰতবৰ্ষৰ কোনো স্থানত বা পূৰ্ব এচীয় অঞ্চলত বিশ্ববিদ্যালয়ৰ দ্বাৰা স্থাপিত বা পৰিচালিত এটা কেন্দ্ৰ;

(ঘ) "পূৰ্ব এচীয় অঞ্চল" মানে পূৰ্ব এচীয় শীৰ্ষ সন্মিলনৰ সদস্য ৰাজ্যসমূহৰ ৰাজ্যক্ষেত্ৰক সমাবিষ্ট কৰা অঞ্চল;

(ঙ) "কৰ্মচাৰী" মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত কোনো ব্যক্তি আৰু ই, বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু আন কৰ্মচাৰীক অন্তৰ্ভূক্ত কৰে;

(চ) "বিভাগ" মানে বিশ্ববিদ্যালয়ৰ এটা বিভাগ;

(ছ) "বিত্ত পদাধিকাৰী" মানে ধাৰা ১৭ৰ অধীনত নিয়োজিত বিশ্ববিদ্যালয়ৰ বিত্ত পদাধিকাৰী;

(জ) "পৰিচালনা বোৰ্ড" মানে ধাৰা ৭ৰ অধীনত গঠিত বিশ্ববিদ্যালয়ৰ পৰিচালনা বোৰ্ড;

(ঝ) "ছাত্ৰাবাস" মানে ইয়াৰ দ্বাৰা উপবন্ধিত, পৰিচালিত বা স্বীকৃত বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ বাবে, যিনামেৰেই মতা নহওঁক, নিবাসৰ এটা গোট;

(ঞ) "সদস্য ৰাজ্য" মানে পূৰ্ব এচীয় শীৰ্ষ সন্মিলনৰ সদস্য ৰাজ্য;

(ট) "নালন্দা বিজ্ঞ পৰামৰ্শদাতা বৰ্গ" মানে বিশ্ববিদ্যালয়ৰ সংস্থাপনক পৰিচালনা কৰা আন্তঃৰাষ্ট্ৰীয় সহযোগীতা আৰু ভাগীদাৰীৰ মূল নীতি আৰু গঠন পৰীক্ষা কৰিবলৈ আন কথাৰ সৈতে একেলগে, ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ত ২০০৭ৰ ২৮ জুন তাৰিখে যোগাযোগৰ দ্বাৰা গঠিত ব্যক্তিৰ বৰ্গ।

(ঠ) "অধ্যাদেশ" মানে বিশ্ববিদ্যালয়ৰ অধ্যাদেশ;

(ড) "বিহিত" মানে পৰিনিয়ম, অধ্যাদেশৰ দ্বাৰা বা বিনিয়মৰ দ্বাৰা বিহিত;

(ঢ) "স্বীকৃত সংস্থা" মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত বা স্বীকৃত বা ইয়াৰ সৈতে সহযুক্ত হোৱা উচ্চতৰ শিক্ষাৰ এটা সংস্থা;

(ণ) "পঞ্জীয়ক" মানে ধাৰা ১৬ৰ অধীনত নিয়োজিত হোৱা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক;

(ত) "বিনিয়মাৱলী" মানে বিশ্ববিদ্যালয়ৰ বিনিয়মাৱলী;

(থ) "বিদ্যালয়" মানে বিশ্ববিদ্যালয়ৰ অধ্যয়নৰ এখন বিদ্যালয়;

(দ) "পৰিনিয়ম" মানে বিশ্ববিদ্যালয়ৰ পৰিনিয়ম;

(ধ) "শিক্ষক" মানে বিশ্ববিদ্যালয়ত শিক্ষা দিয়া বা গৱেষণা সঞ্চালনৰ বাবে বা বিশ্ববিদ্যালয়ৰ কোনো পাঠ্যক্ৰমানুসাৰে অধ্যয়ন কৰাৰ বাবে ছাত্ৰসকলক মাৰ্গদৰ্শন কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত বা স্বীকৃত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু গৱেষক বৰ্গ আৰু পৰিনিয়মৰ দ্বাৰা শিক্ষকৰূপে পদাভিহিত শিক্ষকবৰ্গ;

(ন) "বিশ্ববিদ্যালয়" মানে ধাৰা ৪ৰ অধীনত স্থাপিত আৰু নিগমিত হোৱা নালন্দা বিশ্ববিদ্যালয়।

*নালন্দা বিশ্ববিদ্যালয়ৰ স্থাপন আৰু নিগমন।*

৪। (১) নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ৰ অধীনত বিহাৰ ৰাজ্যত স্থাপিত হোৱা নালন্দা বিশ্ববিদ্যালয়খন, এই অধিনিয়মৰ অধীনত "নালন্দা বিশ্ববিদ্যালয়" নামেৰে এটা নিগমিত নিকায় ৰূপে স্থাপিত হ'ব।

(২) প্ৰথম সাক্ষাৎ কৰোঁতা, প্ৰথম আচাৰ্য্য, প্ৰথম উপাচাৰ্য্য, পৰিচালনা বোৰ্ড আৰু বিদ্যা পৰিষদৰ প্ৰথম সদস্য বৃন্দ আৰু সকলো ব্যক্তি, যি ইয়াৰ পিচত এনে পদাধিকাৰী বা সদস্যহে থাকিব পাৰে, যেতিয়ালৈকে তেওঁলোকে এনে পদ বা সদস্যতা ধাৰণ কৰি থাকে, তেওঁলোকে বিশ্ববিদ্যালয় গঠন কৰিব।

(৩) বিশ্ববিদ্যালয়ৰ, শ্বাশ্বত উত্তৰাধিকাৰ আৰু এটা সাধাৰণ মোহৰ থাকিব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদমুক্ত হ'ব।

(৪) বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্য্যস্থান, বিহাৰ ৰাজ্যৰ নালন্দা জিলাত হ'ব।

(৫) বিশ্ববিদ্যালয়খনে, ই উচিত গণ্য কৰা দৰে ভাৰতবৰ্ষৰ এনে আন স্থানসমূহত কেন্দ্ৰসমূহ স্থাপন বা পৰিচালনা কৰিব পাৰেঃ

পৰন্তু বিশ্ববিদ্যালয়খনে, পৰিচালনা বোৰ্ডৰ অনুমোদনসহ, ভাৰতবৰ্ষৰ বাহিৰত অধ্যয়ন কেন্দ্ৰসমূহ স্থাপন কৰিব পাৰে।

*বিশ্ববিদ্যালয় স্থাপনৰ প্ৰভাৱ।*

৫। এই অধিনিয়মখনৰ প্ৰাৰম্ভণৰ তাৰিখত আৰু তাৰিখৰ পৰা—

(ক) কোনো সংবিদা বা আন লেখ্যত নালন্দা বিশ্ববিদ্যালয়ৰ কোনো প্ৰসঙ্গ নিৰ্দেশ, বিশ্ববিদ্যালয়ৰ এটা প্ৰসঙ্গনিৰ্দেশ ৰূপে গণ্য হ'ব;

(খ) নালন্দা বিশ্ববিদ্যালয়ৰ অস্থাৱৰ আৰু স্থাৱৰ সকলো সম্পত্তি বা ইয়াৰ অন্তৰ্গত বিষয়বস্তুবোৰ বিশ্ববিদ্যালয়ত ন্যস্ত হ'ব;

(গ) নালন্দা বিশ্ববিদ্যালয়ৰ সকলো অধিকাৰ আৰু দায়িত্বক, বিশ্ববিদ্যালয়লৈ অন্তৰিত কৰা হ'ব আৰু ইয়াৰ অধিকাৰ আৰু দায়িত্ব থাকিব;

(ঘ) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে নালন্দা বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত প্ৰত্যেক ব্যক্তিয়ে, পেন্সন, ছুটী, পাৰিতোষিক, ভৱিষ্যনিধি আৰু আন বিষয়ৰ বিষয়ে, সেই একেবোৰ ধাৰণ কৰিলেহেঁতেন যদিহে এই অধিনিয়মখন অধিনিয়মিত নহলহেঁতেন, একে পদাৱধি, একে পাৰিতোষিকত আৰু একে নিবন্ধন আৰু চৰ্তাৱলীৰ ওপৰত আৰু একে অধিকাৰ আৰু বিশেষাধিকাৰসহ, বিশ্ববিদ্যালয়ত তেওঁৰ পদ বা সেৱা ধাৰণ কৰিব আৰু এনেদৰে কৰিবলৈ চলি থাকিব যিপৰ্য্যন্ত তেওঁৰ নিয়োজনৰ সমাপ্তি নঘটে বা যিপৰ্য্যন্ত এনে পদাৱধি, পাৰিশ্ৰমিক আৰু নিবন্ধন আৰু চৰ্তাৱলী, পৰিনিয়মৰ দ্বাৰা সম্যকৰূপে পৰিৱৰ্তিত নহয়ঃ

পৰন্তু যদি এনেদৰে কৰা পৰিৱৰ্তন, এনে কৰ্মচাৰীবৃন্দলৈ গ্ৰহণযোগ্য নহয়, তেওঁৰ নিয়োজন, কৰ্মীবৃন্দৰ চুক্তিৰ অৱধিৰ অনুসৰণত বা যদিহে এই মৰ্মে তাত কোনো উপৰন্ধ কৰা নাই, তেন্তে স্থায়ী কৰ্মচাৰীবৃন্দৰ ক্ষেত্ৰত তিনি মাহৰ পাৰিশ্ৰমিকৰ সমান হোৱা এটা ক্ষতিপূৰণ আৰু আন কৰ্মচাৰীৰ ক্ষেত্ৰত, এমাহৰ পাৰিশ্ৰমিক বিশ্ববিদ্যালয়ৰ দ্বাৰা তেওঁলৈ

আদায় দিয়াত, বিশ্ববিদ্যালয়ৰ দ্বাৰা অৱসান কৰিব পাৰে ঃ

অধিকন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে নিয়োজিত হোৱা প্ৰত্যেক ব্যক্তিক, ধাৰা ৩৩ৰ অধীনত এটা সংবিদাৰ লম্বিত থকা নিষ্পাদন, এই অধিনিয়মৰ উপবন্ধাৱলী আৰু পৰিনিয়মৰ সুসঙ্গত হোৱা এটা চুক্তিৰ উপবন্ধাৱলীৰ অনুসৰণত, নিয়োজিত হোৱা বুলি গণ্য কৰা হ'ব ঃ

উপৰন্তু তৎসময় বলবৎ থকা কোনো বিধিত বা কোনো লেখ্য বা আন দস্তাৱেজত নালন্দা বিশ্ববিদ্যালয়ৰ অভ্যাগত, আচাৰ্য্য বা উপাচাৰ্য্যই দিয়া কোনো প্ৰসঙ্গ নিৰ্দেশক, যি শব্দেৰেই মতা নহওঁক কিয়, বিশ্ববিদ্যালয়ৰ অভ্যাগত, আচাৰ্য্য বা উপাচাৰ্য্যলৈ আনুক্ৰমিকভাবে এটা প্ৰসঙ্গনিৰ্দেশৰূপে অৰ্থ হ'ব;

(ঙ) নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ৰ উপবন্ধাৱলীৰ অধীনত নিয়োজিত হোৱা নালন্দা বিশ্ববিদ্যালয়ৰ অভ্যাগতক অভ্যাগতৰ মনোনীত ব্যক্তি বুলি নিয়োজিত কৰা হৈছে বুলি গণ্য কৰা হ'ব আৰু এনে মনোনীত ব্যক্তিজন, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে এই অধিনিয়মৰ অধীনত প্ৰথম অভ্যাগতো হ'ব;

(চ) নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ৰ উপবন্ধাৱলীৰ অধীনত নিয়োজিত নালন্দা বিশ্ববিদ্যালয়ৰ আচাৰ্য্য গৰাকীক, এই অধিনিয়মৰ ধাৰা ১৪ৰ অধীনত আচাৰ্য্যৰূপে নিয়োজিত হোৱা বুলি গণ্য কৰা হ'ব ; আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা তিনিবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব;

(ছ) নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ৰ উপবন্ধাৱলীৰ অধীনত নিয়োজিত নালন্দা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যজনক, এই অধিনিয়মৰ অধীনত প্ৰথম উপচাৰ্য্যৰূপে নিয়োজিত হোৱা বুলি গণ্য কৰা হ'ব আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা পাঁচবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব; আৰু

(জ) নালন্দা বিশ্ববিদ্যালয়ৰ শাখাভুক্ত হোৱা বা ইয়াৰ বিশেষাধিকাৰৰ স্বীকৃত বা ইয়াৰ দ্বাৰা পৰিচালিত সকলো বিদ্যালয়, সংস্থা, শিক্ষা বিভাগ আৰু বিভাগসমূহক বিশ্ববিদ্যালয়ত শাখাভুক্ত হোৱা বা বিশেষাধিকাৰৰ স্বীকৃত বা ইয়াৰ দ্বাৰা পৰিচালিত হৈ থাকিব।

*অধিকাৰিতা*

৬। বিশ্ববিদ্যালয়ৰ অধিকাৰিতা, সমগ্ৰ ভাৰতবৰ্ষলৈ আৰু ভাৰতবৰ্ষৰ ভিতৰত বা বাহিৰত স্থাপিত কেন্দ্ৰসমূহলৈ বিস্তাৰিত হ'ব।

*পৰিচালনা বোৰ্ড*

৭। ইয়াৰ সদস্যৰূপে, নিম্নলিখিত ব্যক্তিসমূহেৰে গঠিত হোৱা বিশ্ববিদ্যালয়ৰ এখন পৰিচালনা বোৰ্ড থাকিব, অৰ্থাৎ ঃ—

(ক) আচাৰ্য্য;

(খ) উপাচাৰ্য্য;

(গ) সদস্য ৰাজ্যৰ মাজৰ পৰা পাঁচজন সদস্যক, যিয়ে তিনিবছৰৰ এটা অৱধিৰ কালত অধিকতম্ বিত্তীয় সহায়তা উপবন্ধ কৰে, সদস্য ৰাজ্যৰ দ্বাৰা মনোনীত কৰিব;

(ঘ) বৈদেশিক মন্ত্ৰালয়ৰ সচিবৰ পদৰ পদমৰ্য্যাদাৰ নিম্ন নোহোৱা এজন সদস্যক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব;

(ঙ) বিহাৰৰ ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰা দুজন সদস্যক, ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব;

(চ) মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ত অতিৰিক্ত সচিব পদৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা এজন সদস্যক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব;

(ছ) খ্যাতনামা শিক্ষা পৰিসদৰ সভ্য বা শিক্ষাবিদ হোৱা ব্যক্তিসমূহৰ মাজৰ পৰা তিনিজন সদস্যক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব।

(২) উপধাৰা (১)ৰ খণ্ড (গ)ৰ পৰা (ছ)লৈ খণ্ডসমূহত নিৰ্দেশিত পৰিচালনা বোৰ্ডৰ প্ৰত্যেক সদস্যই, তিনিবছৰৰ নিৰ্দ্ধাৰিত এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব।

(৩) আচাৰ্য্যজন, পৰিচালনা বোৰ্ডৰ অধ্যক্ষ হ'ব।

(৪) উপধাৰা (১)ৰ খণ্ড (ঘ)ৰ অধীনত মনোনীত কৰা বৈদেশীক মন্ত্ৰালয়ৰ সচিব হোৱা সদস্যজন, পৰিচালনা বোৰ্ডৰ সদস্য সচিব হ'ব।

(৫) এই অধিনিয়মৰ উপবন্ধাৱলীৰ ইয়াৰ অধীনত প্ৰণীত পৰিনিয়ম আৰু অধ্যাদেশৰ সাপেক্ষে, পৰিচালনা বোৰ্ডে, ইয়াৰ সভাৰ পৰিচালনাৰ বাবে (থুল অন্তৰ্ভুক্ত কৰি) ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিব পাৰে।

*পৰিচালনা বোৰ্ডৰ ক্ষমতা আৰু কৃত্য।*

৮। (১) পৰিচালনা বোৰ্ড, বিশ্ববিদ্যালয়ৰ সকলো আঁচনি আৰু নিৰ্দেশনা আৰু ইয়াৰ কাৰ্য্যকলাপৰ ব্যৱস্থাপনৰ বাবে দায়ী হ'ব।

(২) পৰিচালনা বোৰ্ডে, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতাসমূহক কাৰ্য্যকৰী কৰিব ঃ

পৰন্তু নালন্দা শিক্ষাগুৰুবৰ্গই, এবছৰৰ এটা অৱধিৰ বাবে বা ধাৰা ৭ৰ উপধাৰা (১)ৰ খণ্ড (গ)ৰ পৰা (ছ)লৈ খণ্ডসমূহত নিৰ্দেশিত কৰা সদস্যসমূহক মনোনীত কৰা সময়লৈকে, যিটোৱেই আগতে হয়, পৰিচালনা বোৰ্ডৰ ক্ষমতাসমূহক কাৰ্য্যকৰী কৰিব আৰু কৃত্যসমূহক নিৰ্বহন কৰিব।

*বিশ্ববিদ্যালয়ৰ উদ্দেশ্যসমূহ।*

৯। (১) নিম্নলিখিতসমূহ বিশ্ববিদ্যালয়ৰ উদ্দেশ্য হ'ব—

(ক) জীৱনৰ গুনগত বৈশিষ্ট্যৰ মানৰ উন্নয়নৰ বাবে দৰ্শন, ভাষা, ইতিহাস আৰু উচ্চ শিক্ষণৰ আন ক্ষেত্ৰৰ বাবে গুৰুত্বপূৰ্ণ হোৱা (বিশেষতঃ বহু শতিকা পূৰ্বে নালন্দাত ব্যৱহৃত) প্ৰাচীন বিজ্ঞানৰ ৰাজত্বত সদস্য ৰাজ্যসমূহৰ সামৰ্থ নিৰ্মাণৰ প্ৰতি শিক্ষা প্ৰদান কৰা আৰু গৱেষণাক সামৰ্থৱান কৰা ;

(খ) পূৰ্ব এচীয়াৰ ভৱিষ্যত নেতাই আঞ্চলিক শান্তি আৰু দূৰদৃষ্টি একেলগে লৈ উন্নতিলৈ বৰঙণি যোগোৱা, যিয়ে, তেওঁলোকৰ সম্পৰ্কিত অতীত বুৰঞ্জী, ইজনে সিজনৰ যথাৰ্থদৃষ্টি তেওঁলোকৰ বুজাপৰা বৰ্দ্ধিত কৰিব পাৰে আৰু সেই বুজাপৰাত বিশ্বব্যাপি ভাগ লোৱা;

(গ) শৈক্ষিক মানদণ্ড আৰু শিক্ষাৰ প্ৰত্যায়ন নিয়ম, গবেষণা আৰু পাঠ্যক্ৰমৰ সমন্বয় ঘটোৱা যিবোৰ, সকলো সদস্য ৰাজ্যলৈ গ্ৰহণযোগ্য হয়;

(ঘ) সদস্য ৰাজ্যসমূহৰ মাজৰ পৰা বিদ্যাৰ্থী আৰু আগ্ৰহী ব্যক্তিসকলৰ মাজত এটা অসাধাৰণ ভাগীদাৰীৰ সৃষ্টি কৰা;

(ঙ) পৃথিৱীৰ কোনো আন অংশৰ পৰা কোনো আন চিন্তা আৰু বৃত্তিক বৰ্হিভূত নকৰাকৈ সমসাময়িক প্ৰসঙ্গত বুদ্ধৰ জ্ঞান বুজি লোৱা;

(চ) ব্যৱসায়, বিজ্ঞান, অংকশাস্ত্ৰ, জ্যোৰ্তিবিজ্ঞান, ধৰ্ম, দৰ্শন আৰু চলিত প্ৰতি-সংস্কৃতিৰ ক্ষেত্ৰত বলিষ্ঠ বুৰঞ্জীমূলক সমন্বয়ৰ দ্বাৰা আবদ্ধ হোৱা এচীয় দেশসমূহৰ মাজত বিশেষকৈ, পূৰ্ব এচীয়াৰ মাজত বহল পাৰম্পৰিক ক্ৰিয়াৰ বাবে গৱেষণাৰ বিস্তৃত কৰা;

(ছ) ছাত্ৰ আৰু বিদ্যাৰ্থীৰ সা-সুবিধাৰ উৎসাহৰ পৃষ্ঠপোষকতা কৰা আৰু এনেদৰে তেওঁলোকক, গণতান্ত্ৰিক সমাজৰ আদৰ্শনীয় নাগৰিক হবলৈ প্ৰশিক্ষণ দিয়া;

(জ) বহু শতিকা পূৰ্বে নালন্দাত শিক্ষণৰ উদ্দেশ্যে সদস্য ৰাজ্যসমূহৰ শিক্ষা পদ্ধতিৰ উন্নয়নৰ বাবে বৰঙণি দিয়া;

(ঝ) সদস্য ৰাজ্যসমূহৰ বিভিন্ন কলা, শিল্প আৰু নৈপুন্যৰ শিক্ষা আৰু প্ৰশিক্ষণ দিয়া, সেইবোৰৰ পুনৰ উন্নতি কৰা আৰু জনসাধাৰণলৈ সেইবোৰৰ প্ৰাপ্তিসাধ্যৰ উন্নয়ন কৰা।

(২) বিশ্ববিদ্যালয়খন, অ-লাভ ৰাজহুৱা ব্যক্তিগত ভাগীদাৰী হ'ব, যিয়ে সদস্য ৰাজ্যসমূহৰ প্ৰত্যেকৰ পৰা আৰু আন উৎসৰ পৰা সমৰ্থন বিচাৰিব পাৰে কিন্তু পৰিচালনা বোৰ্ডলৈ স্বশাসিত আৰু জৱাবদিহি হ'ব।

*বিশ্ববিদ্যালয়ৰ ক্ষমতা।*

১০। বিশ্ববিদ্যালয়ৰ নিম্নলিখিত ক্ষমতাসমূহ থাকিব, অৰ্থাৎ ঃ—

(i) উদ্দেশ্যসমূহত বৰ্ণিত কৰা এনে শিক্ষাত সামগ্ৰিক আৰু সন্মিলিত শিক্ষা আৰু প্ৰশিক্ষণ আৰু গৱেষণাৰ উপবন্ধ, উন্নত আৰু উন্নয়নৰ বাবে উপবন্ধ কৰা আৰু ভাৰতবৰ্ষ, এচীয় দেশসমূহ আৰু আন দেশসমূহত দক্ষ, পণ্ডিত আৰু আগ্ৰহী ব্যক্তিসকলৰ সৈতে নিকট সমন্বয়ত, এনে শিক্ষাৰ অনুসৰণৰ বাবে সামৰ্থ্যবান আৰু সহায়ক পৰিবেশৰ সৃষ্টি কৰা;

(ii) বিশ্ববিদ্যালয়ৰ উদ্দেশ্যৰ অগ্ৰসৰতাৰ আন্তঃৰাষ্ট্ৰীয় ভাগীদাৰ আৰু মৈত্ৰীপূৰ্ণ দেশসমূহৰ এটা জোঁট গঠন কৰা;

(iii) পৰামৰ্শ সেৱা, চলিত শিক্ষা কাৰ্য্যক্ৰম, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগ আৰু বুদ্ধিজীৱি সম্পত্তি অধিকাৰৰ মাধ্যমেৰে সম্পদাৰ উৎপাদন আৰু পৰিচালনা কৰা;

(iv) বিশ্ববিদ্যালয়ে সময়ে সময়ে, অৱধাৰিত কৰা দৰে শিক্ষাৰ এনে শাখাত নিৰ্দেশ দিয়াৰ বাবে উপবন্ধ কৰা আৰু গৱেষণাৰ বাবে আৰু জ্ঞানৰ বৃদ্ধি আৰু প্ৰসাৰৰ বাবে উপবন্ধ কৰা;

(v) ইয়াৰ উদ্দেশ্যৰ অগ্ৰসৰতাৰ বাবে আৱশ্যকীয় হোৱা দৰে, গৱেষণা আৰু নিৰ্দেশৰ বাবে, এনে বিশেষ কেন্দ্ৰ আৰু বিশেষত্ব পূৰ্ণ পৰীক্ষাগাৰ আৰু এনে আন গোট, স্থাপন কৰা;

(vi) ডিগ্ৰী, উপাধিপত্ৰ, প্ৰমাণ পত্ৰৰ বাবে বা কোনো আন প্ৰয়োজনৰ বাবে পাঠ্যক্ৰমৰ পৰিকল্পনা আৰু বিহিত কৰা;

(vii) পৰীক্ষা পতা আৰু ব্যক্তিসমূহক উপাধিপত্ৰ বা প্ৰমানপত্ৰ মঞ্জুৰ কৰা আৰু ডিগ্ৰী আৰু আন শৈক্ষিক বৰেণ্যতা প্ৰদান কৰা যিয়ে, পৰিনিয়ম আৰু অধ্যাদেশৰ দ্বাৰা প্ৰণীত ৰীতিত অধ্যয়ন বা পৰিচালিত গৱেষণাৰ ক্ৰমত পাঠ্যক্ৰমানুসাৰে অধ্যয়ন কৰে;

(viii) পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত সন্মানসূচক ডিগ্ৰী বা আন শৈক্ষিক বৰেণ্যতা প্ৰদান কৰা;

(ix) বিশ্ববিদ্যালয়ৰ দ্বাৰা অপেক্ষা কৰা অধ্যাপক পদ, উপাধ্যাপক পদ আৰু উপাধ্যায় পদ আৰু আন শিক্ষণ আৰু শৈক্ষিক স্থান স্থাপন কৰা আৰু এনে অধ্যক্ষ, অধ্যাপক পদ, উপাধ্যাপক পদ, উপাধ্যায় পদ আৰু আন শিক্ষন আৰু শৈক্ষিক স্থানত ব্যক্তিসমূহক নিযুক্তি দিয়া;

(x) পৰিদৰ্শী অধ্যাপক, প্ৰতিষ্ঠিত অধ্যাপক, পৰামৰ্শদাতা, পণ্ডিত আৰু এনে আন ব্যক্তিসমূহক নিযুক্তি দিয়া যিয়ে, বিশ্ববিদ্যালয়ৰ উদ্দেশ্যৰ অগ্ৰসৰলৈ বৰঙণি দিয়ে;

(xi) বিশ্ববিদ্যালয়ৰ শিক্ষকৰূপে, অধ্যাপক, সহযুক্ত অধ্যাপক, সহকাৰী অধ্যাপক বা অন্যথা ৰূপে ব্যক্তিসমূহক স্বীকৃতি দিয়া;

(xii) বিশ্ববিদ্যালয়ে, সময়ে সময়ে, আৱশ্যকীয় বিবেচনা কৰা দৰে প্ৰশাসনিক আৰু আন পদসমূহৰ সৃষ্টি কৰা আৰু সেইবোৰত নিযুক্তি দিয়া;

(xiii) তেওঁলোকৰ আচৰণক অন্তৰ্ভুক্ত কৰি সকলো শ্ৰেণীৰ কৰ্মচাৰীৰ সেৱাৰ চৰ্তাৱলী প্ৰণীত কৰা;

(xiv) সময়ে সময়ে অৱধাৰিত কৰা দৰে ভাতবৰ্ষত বা ভাৰতবৰ্ষৰ বাহিৰত কেন্দ্ৰসমূহ স্থাপন আৰু পৰিচালনা কৰা;

(xv) বিশ্ববিদ্যালয়ৰ সংস্থাৰূপে ইয়াৰ অধিকাৰিতাৰ ভিতৰত অৱস্থিত সংস্থাসমূহক, ইয়াৰ বিশেষাধিকাৰত স্বীকৃতি দিয়া আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে চৰ্তাৱলীৰ অনুসৰণত বিশেষাধিকাৰসমূহৰ সকলো বা যিকোনোটো প্ৰত্যাহাৰ কৰা;

(xvi) বিহিত কৰা এনে ৰীতিত আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা অৱধাৰিত বা সন্মতিপ্ৰাপ্ত হোৱা দৰে, এনে প্ৰয়োজনৰ বাবে, বিশ্ববিদ্যালয়লৈ সেইবোৰৰ সংস্থা হোৱা প্ৰয়োজন আৰু উদ্দেশ্যসমূহৰ উন্নয়নৰ উদ্দেশ্যে কোনো আন বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ প্ৰাধিকাৰী বা সংস্থা বা কোনো আন ৰাজহুৱা বা ব্যক্তিগত নিকায়ৰ সৈতে বা সহযোগ বা সহযুক্ত কৰা;

(xvii) বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰৰ দ্বাৰা পৰিচালিত বা স্বীকৃতিপ্ৰাপ্ত সংস্থাৰ পৰীক্ষা, মূল্যাঙ্কন বা পৰীক্ষাৰ কোনো আন পদ্ধতিক অন্তৰ্ভুক্ত কৰি, নামভৰ্ত্তিৰ মানদণ্ড অৱধাৰিত কৰা;

(xviii) বিহিত কৰা মাচুল আৰু আন প্ৰভাৰৰ আদায়ৰ দাবী কৰা আৰু গ্ৰহণ কৰা;

(xix) প্ৰেক্ষাগৃহ স্থাপন কৰা আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালনা নকৰা, প্ৰেক্ষাগৃহ আৰু ছাত্ৰসকলৰ বাবে আন সা-সুবিধাৰ স্বীকৃতি, মাৰ্গদৰ্শন, পৰ্য্যবেক্ষন আৰু নিয়ন্ত্ৰন কৰা আৰু এনে স্বীকৃতিৰ প্ৰত্যাহাৰ কৰা;

(xx) বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু কৰ্মচাৰীবৃন্দৰ স্বাস্থ্য আৰু সাধাৰণ কল্যাণৰ উন্নয়নৰ বাবে ব্যৱস্থা কৰা;.

(xxi) ছাত্ৰ আৰু কৰ্মীবৃন্দৰ মাজত অনুশাসন বিনিয়মিত আৰু প্ৰৱৰ্তন কৰা আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা আৱশ্যকীয় গণ্য কৰা দৰে, এই সম্বন্ধত এনে অনুশাসনমূলক ব্যৱস্থা লোৱা;

(xxii) গৱেষণা বৃত্তি, ছাত্ৰবৃত্তি আৰু পুৰস্কাৰ স্থাপন আৰু প্ৰদান কৰা;

(xxiii) অধ্যাদেশৰ অনুসৰণত উপকাৰ, বৰঙণি আৰু উপহাৰ গ্ৰহণ কৰা আৰু বিশ্ববিদ্যালয়ৰ প্ৰয়োজন বা উদ্দেশ্যসমূহৰ বাবে ন্যাস আৰু স্থায়ী নিধি সম্পত্তিক অন্তৰ্ভূক্ত কৰি অস্থায়ী বা স্থায়ী কোনো সম্পত্তি অৰ্জন, ধাৰণ, পৰিচালন আৰু নিষ্পত্তি কৰা আৰু ই উচিত বুলি গণ্য কৰা এনে ৰীতিত নিধি বিনিয়োগ কৰা;

(xxiv) পৰিচালনা বোৰ্ডৰ সংমোদন সহ ধাৰ কৰা;

(xxv) সময়ে সময়ে বিহিত কৰা দৰে এনে নিবন্ধন আৰু চৰ্তাৱলীৰ ওপৰত কোনো সংস্থা বা সদস্যক ইয়াৰ ছাত্ৰসকলৰ কোনো প্ৰয়োজনৰ বাবে, হয়, সম্পূৰ্ণভাৱে বা আংশিকভাৱে স্বীকৃতি দিয়া আৰু এনে স্বীকৃতি প্ৰত্যাহাৰ কৰা;

**(xxvi)** গৱেষণা আৰু উপদেশমূলক সেৱাৰ বাবে উপবন্ধ কৰা আৰু সেই প্ৰয়োজনৰ বাবে, ই আৱশ্যকীয় গণ্য কৰা দৰে আন সংস্থা বা নিকায়ৰ সৈতে এনে বন্দবস্তত প্ৰৱিষ্ট হোৱা;

(xxvii) বিশ্ববিদ্যালয়ৰ দ্বাৰা অপেক্ষিত কৰা ছপা, পুনৰ উৎপাদন আৰু প্ৰকাশন বা গৱেষণা আৰু আন কাৰ্য্যৰ বাবে উপবন্ধ কৰা;

(xxviii) ইয়ালৈ দিয়া এনে আন ক্ষমতাসমূহ কাৰ্য্যকৰী কৰা আৰু বিশ্ববিদ্যালয়ৰ উদ্দেশ্যসমূহৰ সকলো বা যিকোনোটোৰ উন্নয়নৰ বাবে যিদৰে আৱশ্যকীয় হয়, আনুষঙ্গিক বা সহায়ক হোৱা এনে আন সকলো কাৰ্য্য কৰা।

*বিশ্ববিদ্যালয়খন সকলো ব্যক্তিৰ বাবে মুকলি থাকিব।*

১১। বিশ্ববিদ্যালয়খন, লিঙ্গ, জাতি, ধৰ্ম্মমত, অসামৰ্থ্যতা, জাতিগত বা আৰ্থ-সামাজিক পটভূমি বিচাৰ নকৰাকৈ, সকলো ব্যক্তিলৈ মুকলি থাকিব।

*কুলাধ্যক্ষ*

১২। (১) ভাৰতৰ ৰাষ্ট্ৰপতি, বিশ্ববিদ্যালয়ৰ কুলাধ্যক্ষ হ'ব ঃ

পৰন্তু ৰাষ্ট্ৰপতিয়ে, আদেশৰ দ্বাৰা, কোনো ব্যক্তিক কুলাধ্যক্ষ হ'বলৈ মনোনীত কৰিব পাৰে আৰু এনেদৰে মনোনীত হোৱা এনে ব্যক্তিয়ে, আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে পাঁচ বছৰৰ অনধিক এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব আৰু এনেদৰে মনোনীত ব্যক্তিয়ে, কুলাধ্যক্ষৰ ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু কৰ্ত্তব্যৰ নিৰ্বহন কৰিব।

(২) কুলাধ্যক্ষই, সময়ে সময়ে, বিশ্ববিদ্যালয়ৰ কাৰ্য্য আৰু অগ্ৰগতিৰ পুনৰীক্ষণ কৰিবলৈ আৰু ইয়াৰ ওপৰত এটা প্ৰতিবেদন দাখিল কৰিবলৈ এক বা ততোধিক ব্যক্তিক নিযুক্তি দিব পাৰে আৰু সেই প্ৰতিবেদনৰ প্ৰাপ্তিত, কুলাধ্যক্ষই, উপাচাৰ্য্যৰ জৰিয়তে ইয়াৰ ওপৰত পৰিচালনা বোৰ্ডৰ মতামত প্ৰাপ্ত কৰাৰ পিচত, প্ৰতিবেদনত সংব্যৱহৃত বিষয়সমূহৰ যিকোনোটোৰ সম্বন্ধত তেওঁ আৱশ্যকীয় বিবেচনা কৰা দৰে এনে কাৰ্য্যব্যৱস্থা ল'ব পাৰে আৰু এনে নিৰ্দ্দেশনা জাৰি কৰিব পাৰে আৰু বিশ্ববিদ্যালয়, এনে নিৰ্দ্দেশনা অনুপালন কৰাত আৱদ্ধ হ'ব।

(৩) কুলাধ্যক্ষৰ, তেওঁ নিৰ্দ্দেশিত কৰা দৰে এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা, বিশ্ববিদ্যালয়, ইয়াৰ ভৱন, পুথিভঁৰাল, পৰীক্ষাগাৰ আৰু আহিলা-পাতিৰ আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত কোনো সংস্থা বা কেন্দ্ৰৰ বা ইয়াৰ অগ্ৰাধিকাৰৰ স্বীকৃতিৰ আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালনা কৰা বা কৰা পৰীক্ষা, শিক্ষণ আৰু আন কাৰ্য্যৰ পৰিদৰ্শন কৰিবলৈ আৰু বিশ্ববিদ্যালয়ৰ সৈতে জড়িত কোনো বিষয়ৰ সম্বন্ধত কৰিবলগীয়া এটা অনুসন্ধান কৰিবলৈ, অধিকাৰ থাকিব।

(৪) কুলাধ্যক্ষই, প্ৰত্যেক গোচৰত, তেওঁ এটা পৰিদৰ্শন বা অনুসন্ধান কৰাৰ অভিপ্ৰায়েৰে, বিশ্ববিদ্যালয়লৈ জাননী দিব আৰু বিশ্ববিদ্যালয়, ত্ৰিশ দিন বা এনে আন অৱধিৰ ভিতৰত এজন প্ৰতিনিধিক নিযুক্তি দিবলৈ হক্‌দাৰ হ'ব যাক কুলাধ্যক্ষই, এনে পৰিদৰ্শন বা অনুসন্ধানত উপস্থিত থাকিবলৈ আৰু শুনানী লবলৈ অধিকাৰ থকা এজন ব্যক্তিক অৱধাৰিত কৰিব পাৰে।

(৫) কুলাধ্যক্ষই, পৰিদৰ্শন আৰু অনুসন্ধানৰ পৰিণামৰ প্ৰসঙ্গত উপাচাৰ্য্যক সম্বোধিত কৰিব পাৰে আৰু উপাচাৰ্য্যই, কুলাধ্যক্ষৰ, ইয়াৰ ওপৰত লবলগীয়া ব্যৱস্থাৰ ওপৰত দিয়া এনে উপদেশসহ কুলাধ্যক্ষৰ মতামত, পৰিচালনা বোৰ্ডলৈ প্ৰেৰণ কৰিব।

(৬) পৰিচালনা বোৰ্ডে ই এনে পৰিদৰ্শন বা অনুসন্ধানৰ পৰিণামত লোৱা বা ল'বলৈ প্ৰস্তাৱিত কৰা এনে কাৰ্য্য, যদি কিবা থাকে, উপাচাৰ্য্যৰ জৰিয়তে কুলাধ্যক্ষলৈ প্ৰেৰণ কৰিব।

(৭) যদিহে পৰিচালনা বোৰ্ড, এটা যুক্তিসংগত সময়ৰ ভিতৰত, কুলাধ্যক্ষৰ সন্তুষ্টিলৈ, কাৰ্য্যব্যৱস্থা গ্ৰহণ নকৰে, তেওঁ, পৰিচালনা বোৰ্ডৰ দ্বাৰা প্ৰদত্ত কৰা কোনো স্পষ্টীকৰণ বা দিয়া প্ৰতিবেদন বিবেচনা কৰাৰ পিচত, তেওঁ উচিত বুলি বিবেচনা কৰা দৰে এনে নিৰ্দ্দেশনা জাৰি কৰিব পাৰে আৰু পৰিচালনা বোৰ্ডে, এনে নিৰ্দ্দেশনা অনুপালন কৰিবলৈ বাধ্য হ'ব।

(৮) এই ধাৰাৰ পূৰ্বগামী উপবন্ধৰ প্ৰতিকূল নোহোৱাকৈ, কুলাধ্যক্ষই, লিখিতভাৱে আদেশ দি, বিশ্ববিদ্যালয়ৰ কোনো কাৰ্য্যবাহী ৰদ্ কৰিব পাৰে যিটো, এই অধিনিয়ম, পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মৰ সুসঙ্গত নহয়।

(৯) কুলাধ্যক্ষৰ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে আন ক্ষমতাসমূহ থাকিব।

*বিশ্ববিদ্যালয়ৰ পদাধিকাৰী।*

১৩। নিম্নলিখিতসমূহ বিশ্ববিদ্যালয়ৰ পদাধিকাৰী হ'ব ঃ—

(১) আচাৰ্য্য;

(২) উপাচাৰ্য্য;

(৩) পঞ্জীয়ক;

(৪) বিত্ত পদাধিকাৰী, আৰু

(৫) পৰিনিয়মৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ পদাধিকাৰী হ'বলৈ ঘোষিত কৰা এনে আন পদাধিকাৰীসকল।

*আচাৰ্য্য*

১৪। (১) আচাৰ্য্যজনক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে অৱধিত আৰু এনে ৰীতিত কুলাধ্যক্ষৰ দ্বাৰা, নিয়োজিত কৰা হ'ব।

(২) আচাৰ্য্যই, তেওঁৰ পদৰ বলত, বিশ্ববিদ্যালয়ৰ মুৰব্বী হ'ব আৰু যদি তেওঁ বৰ্ত্তমানে থাকে, তেন্তে পৰিচালনা বোৰ্ডৰ উপাধি প্ৰদান কৰা সভাসমূহৰ বাবে অনুস্থিত কৰা বিশ্ববিদ্যালয়ৰ সমাৱৰ্ত্তনত সভাপতিত্ব কৰিব।

*উপাচাৰ্য্য*

১৫। (১) উপাচাৰ্য্যক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত, এনে অৱধিৰ বাবে আৰু এনে পৰিভূতিত আৰু সেৱাৰ আন চৰ্ত্তাৱলীত, কুলাধ্যক্ষৰ নিয়োজিত কৰা হ'ব।

(২) উপাচাৰ্য্যজন, বিশ্ববিদ্যালয়ৰ মুখ্য শৈক্ষিক আৰু কাৰ্য্যবাহী পদাধিকাৰী হ'ব আৰু বিশ্ববিদ্যালয়ৰ কাৰ্য্যকলাপৰ ওপৰত পৰ্য্যবেক্ষণ আৰু নিয়ন্ত্ৰণ কাৰ্য্যকৰী কৰিব আৰু বিশ্ববিদ্যালয়ৰ সকলো প্ৰাধিকাৰীৰ সিদ্ধান্তক প্ৰভাৱী কৰিব।

(৩) উপচাৰ্য্যই কোনো বিষয়ৰ ওপৰত তাৎক্ষনিক কাৰ্য্যব্যৱস্থা আৱশ্যক বুলি যদিহে অভিমত দিয়ে, তেওঁ, এই অধিনিয়মৰ দ্বাৰা বা অধীনত, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীলৈ প্ৰদত্ত কৰা কোনো ক্ষমতাৰ কাৰ্য্যকৰী কৰিব পাৰে আৰু এনে বিষয়ৰ ওপৰত তেওঁৰ দ্বাৰা লোৱা কাৰ্য্যব্যৱস্থাৰ এনে প্ৰাধিকাৰীক জনাব ঃ

পৰন্তু সংশ্লিষ্ট প্ৰাধিকাৰীয়ে, এনে কাৰ্য্যব্যৱস্থা লোৱাটো অনুচিত বুলি যদি অভিমত দিয়ে, ই, বিষয়টো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰিব পাৰে, ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব ঃ

অধিকন্তু এই উপ-ধাৰাৰ অধীনত উপচাৰ্য্যৰ দ্বাৰা লোৱা কোনো কাৰ্য্যব্যৱস্থাৰ দ্বাৰা ক্ষোভিত হোৱা, বিশ্ববিদ্যালয়ৰ সেৱাত থকা কোনো ব্যক্তিৰ, তেওঁলৈ সূচিত কৰা এনে কাৰ্য্যৰ তাৰিখৰ পৰা নব্বৈ দিনৰ ভিতৰত পৰিচালনা বোৰ্ডলৈ এনে কাৰ্য্যব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ ওপৰত পৰিচালনা বোৰ্ডে, উপচাৰ্য্যৰ দ্বাৰা লোৱা কাৰ্য্যব্যৱস্থা দৃঢ়কৰণ, পৰিৱৰ্ত্তন বা প্ৰত্যাৱৰ্ত্তন কৰিব পাৰে।

(৪) উপাচাৰ্য্যই, কোনো প্ৰাধিকাৰীৰ এটা বিনিশ্চয় এই অধিনিয়মৰ উপবন্ধাৱলী, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা প্ৰদত্ত প্ৰাধিকাৰীৰ ক্ষমতাৰ বাহিৰত বুলি বা লোৱা কোনো বিনিশ্চয়, বিশ্ববিদ্যালয়ৰ হিতৰ বাবে নহয় বুলি যদিহে তেওঁৰ এটা অভিমত হয়, এনে বিনিশ্চয়ৰ

যাঠি দিনৰ ভিতৰত ইয়াৰ বিনিশ্চয়, জড়িত থকা প্ৰাধিকাৰীক পুনৰীক্ষণৰ বাবে দিব পাৰে আৰু যদিহে প্ৰাধিকাৰীয়ে ইয়াৰ বিনিশ্চয় হয় সম্পূৰ্ণভাৱে বা আংশিকভাৱে পুনৰীক্ষণ কৰিবলৈ অস্বীকাৰ কৰে বা উক্ত যাঠি দিনৰ এটা অৱধিৰ ভিতৰত ইয়াৰ দ্বাৰা কোনো বিনিশ্চয় লোৱা নহয়, বিষয়টো, কুলাধ্যক্ষলৈ নিৰ্দেশিত কৰা হ'ব, ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব ঃ

পৰন্তু সংশ্লিষ্ট প্ৰাধিকাৰীৰ বিনিশ্চয়, এই উপধাৰাৰ অধীনত প্ৰাধিকাৰী বা যথাস্থিতি কুলাধ্যক্ষৰ দ্বাৰা এনে বিনিশ্চয় পুনৰীক্ষণৰ কালত নিলম্বিত ৰাখিব।

(৫) উপাচাৰ্য্যই, পৰিনিয়ম আৰু অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে আন ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে আন কৃত্যসমূহ সম্পাদন কৰিব।

*পঞ্জীয়ক*

১৬। (১) পঞ্জীয়কজনক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত আৰু সেৱাৰ এনে নিবন্ধন আৰু চৰ্ত্তাৱলীত নিয়োজিত কৰা হ'ব।

(২) পঞ্জীয়কৰ, বিশ্ববিদ্যালয়ৰ হকে প্ৰবিষ্ট হ'বলৈ, চুক্তিত স্বাক্ষৰ কৰিবলৈ আৰু পঞ্জী প্ৰমানীকৃত কৰিবলৈ, অধিকাৰ থাকিব।

(৩) পঞ্জীয়কে, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৃত্যসমূহ সম্পাদন কৰিব।

*বিত্ত পদাধিকাৰী*

১৭। বিত্ত পদাধিকাৰীজনক, পৰিনিয়মত বিহিত কৰা দৰে এনে ৰীতিত আৰু সেৱাৰ এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে কৃত্যসমূহ সম্পাদন কৰিব।

*পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক।*

১৮। পৰীক্ষাৰ নিয়ন্ত্ৰকক, পৰিনিয়মত বিহিত কৰা দৰে এনে ৰীতিত আৰু সেৱাৰ এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত, নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতাসমূহক কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্যসমূহ সম্পাদন কৰিব।

*গ্ৰন্থগাৰক*

১৯। গ্ৰন্থগাৰকজনক, পৰিনিয়মত বিহিত কৰা দৰে এনে ৰীতিত আৰু সেৱাৰ এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত, নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতাসমূহক কাৰ্য্যকৰী কৰিব আৰু কৰ্ত্তব্যসমূহ সম্পাদন কৰিব।

*আন পদাধিকাৰীসকল।*

২০। বিশ্ববিদ্যালয়ৰ আন পদাধিকাৰীসকলৰ নিযুক্তিৰ ৰীতি, পৰিভূতি, ক্ষমতা আৰু কৰ্ত্তব্য পৰিনিয়মৰ বিহিত কৰা দৰে হ'ব।

*শৈক্ষিক কৰ্মীবৃন্দ, ইত্যাদিৰ বিশেষাধিকাৰ আৰু বিমুক্তি।*

২১। শৈক্ষিক কৰ্মীবৃন্দৰ সদস্যসকল আৰু য'ত প্ৰযোজ্য হয়, তেওঁলোকৰ আশ্ৰিত ব্যক্তি বা পৰিয়ালৰ সদস্যই, বিশ্ববিদ্যালয়ৰ সৈতে এটা চুক্তিত প্ৰবিষ্ট হোৱাৰ পিচত, এনে বিশেষাধিকাৰ আৰু বিমুক্তি উপভোগ কৰিব যিদৰে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰসংঘ (বিশেষাধিকাৰ আৰু বিমুক্তি) অধিনিয়ম ১৯৪৭ ৰ ধাৰা ৩ৰ অধীনত অধিসূচিত কৰে।

*বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰসকল।*

২২। নিম্নলিখিতসমূহ বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰ হ'ব ঃ—

(১) পৰিচালনা বোৰ্ড;

(২) বিদ্যা পৰিষদ ;

(৩) বোৰ্ডৰ অধ্যয়ন কেন্দ্ৰ;

(৪) বিত্ত সমিতি; আৰু

(৫) বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰ হ'বলৈ পৰিনিয়মৰ দ্বাৰা ঘোষিত কৰা এনে আন প্ৰাধিকাৰসকল।

*বিদ্যা পৰিষদ*

২৩। (১) বিদ্যা পৰিষদখন, বিশ্ববিদ্যালয়ৰ মুখ্য শৈক্ষিক নিকায় হ'ব আৰু এই অধিনিয়মৰ

উপবন্ধাৱলীৰ সাপেক্ষে, পৰিনিয়ম আৰু অধ্যাদেশৰ, বিশ্ববিদ্যালয়ৰ ভিতৰত শিক্ষণ, শিক্ষা, নির্দেশ, মূল্যাঙ্কন আৰু পৰীক্ষাৰ মানদণ্ডৰ সংৰক্ষণৰ নিয়ন্ত্রণ আৰু সাধাৰণ বিনিয়ম আৰু দায়িত্ব থাকিব আৰু পৰিনিয়মৰ দ্বাৰা ইয়াৰ ওপৰত প্রদত্ত বা আৰোপিত কৰা দৰে এনে আন ক্ষমতা কার্য্যকৰী কৰিব আৰু এনে আন কৃত্যসমূহক সম্পাদন কৰিব।

(২) বিদ্যাপৰিষদৰ গঠন আৰু ইয়াৰ সদস্যবৃন্দৰ পদাৱধি, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*অধ্যয়ন কেন্দ্ৰ*

২৪। (১) বিশ্ববিদ্যালয়ে সময়ে সময়ে অৱধাৰিত কৰা একে সংখ্যক অধ্যয়ন কেন্দ্ৰ থাকিব।

(২) উপধাৰা (১)ত থকা পূর্বগামী উপবন্ধৰ ব্যাপকতাৰ ওপৰত প্রতিকূল প্রভাৱ নেপেলোৱাকৈ, বিশ্ববিদ্যালয়ৰ নিম্নলিখিত অধ্যয়ন কেন্দ্ৰ থাকিব, অর্থাৎ ঃ—

(i) বৌদ্ধিক অধ্যয়ন, দর্শন আৰু তুলনাত্মক ধৰ্ম;

(ii) বুৰঞ্জীমূলক অধ্যয়ন;

(iii) আন্তঃৰাষ্ট্ৰীয় সম্পর্ক আৰু শান্তি অধ্যয়ন;

(iv) লোক আঁচনি আৰু বিকাশ সম্পৰ্কীয় ব্যৱসায় ব্যৱস্থাপন;

(v) ভাষা আৰু সাহিত্য;

(vi) পৰিস্থিতি আৰু পৰিবেশ অধ্যয়ন;

(vii) পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে আন অধ্যয়ন কেন্দ্ৰ।

(৩) প্রত্যেক অধ্যয়ন কেন্দ্ৰৰ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে সদস্যসমূহেৰে গঠিত এখন বোৰ্ড থাকিব।

(৪) বোৰ্ডৰ অধ্যয়ন কেন্দ্ৰৰ ক্ষমতা আৰু কৃত্যসমূহ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে হ'ব।

*বিত্ত সমিতি*

২৫। বিত্ত সমিতিৰ গঠন, ক্ষমতা আৰু কৃত্যসমূহ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে হ'ব।

*আন প্রাধিকাৰসকল*

২৬। বিশ্ববিদ্যালয়ৰ প্রাধিকাৰ হ'বলৈ পৰিনিয়মৰ দ্বাৰা ঘোষিত কৰা আন প্রাধিকাৰৰ গঠন, ক্ষমতা আৰু কৃত্য, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*পৰিনিয়ম*

২৭। এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, পৰিনিয়মে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অর্থাৎ ঃ—

(ক) আচাৰ্য্যৰ নিযুক্তিৰ ৰীতি;

(খ) উপাচার্য্যৰ নিযুক্তিৰ ৰীতি তেওঁৰ নিযুক্তিৰ অৱধি, তেওঁৰ সেৱাৰ পৰিভূতি আৰু আন চৰ্তাৱলী আৰু তেওঁৰ দ্বাৰা কার্য্যকৰী কৰা ক্ষমতা আৰু সম্পাদন কৰা কৃত্যসমূহ;

(গ) পঞ্জীয়কৰ নিযুক্তিৰ ৰীতি, বিত্ত পদাধিকাৰী, পৰীক্ষাৰ নিয়ন্ত্রক আৰু আন পদাধিকাৰী আৰু তেওঁলোকৰ সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী আৰু এনে পদাধিকাৰীৰ দ্বাৰা কার্য্যকৰী কৰা ক্ষমতা আৰু সম্পাদন কৰা কৃত্যসমূহ;

(ঘ) বিশ্ববিদ্যালয়ৰ আন প্রাধিকাৰসমূহ, এনে প্রাধিকাৰৰ সদস্যসমূহৰ পদাৱধি আৰু এনে প্রাধিকাৰৰ দ্বাৰা কার্য্যকৰী কৰা ক্ষমতা আৰু সম্পাদন কৰা কৃত্যসমূহ;

(ঙ) বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু আন কর্মচাৰীবৃন্দৰ নিযুক্তি, তেওঁলোকৰ পৰিভূতি আৰু সেৱাৰ আন চৰ্তাৱলী ঃ

পৰন্তু শিক্ষক আৰু কর্মচাৰীবৃন্দৰ নিবন্ধন আৰু চৰ্তাৱলী তেওঁলোকৰ অহিতত সংশোধিত কৰা নহ'ব;

(চ) বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লাভৰ বাবে পেন্সনক বা ভৱিষ্যনিধি গঠন আৰু এটা বীমা আঁচনিৰ স্থাপন;

(ছ) বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ সেৱাত জ্যেষ্ঠতা পৰিচালনা কৰা নীতিসমূহ;

(জ) মধ্যস্থতাৰ ন্যায়াধিকৰণৰ কাৰ্য্য বিনিময়ত কৰাৰ প্ৰক্ৰিয়া;

(ঝ) বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ বা ছাত্ৰৰ মাজত আৰু বিশ্ববিদ্যালয়ৰ বিবাদসমূহৰ নিষ্পত্তিৰ বাবে প্ৰক্ৰিয়া;

(ঞ) বিশ্ববিদ্যালয়ৰ মানদণ্ডৰ সমন্বয় আৰু অৱধাৰণ কৰা;

(ট) অধ্যয়ন কেন্দ্ৰ, ইয়াৰ বোৰ্ডৰ সদস্য আৰু এনে বোৰ্ডৰ ক্ষমতা আৰু কৃত্যসমূহ;

(ঠ) আন সকলো বিষয়, যাৰ দ্বাৰা এই অধিনিয়ম, পৰিনিয়মৰ দ্বাৰা উপবন্ধিত হয় বা হ'ব পাৰে।

*পৰিনিয়ম কেনেকৈ প্ৰণীত হয়।*

২৮। (১) প্ৰথম পৰিনিয়মসমূহ, বিশ্ববিদ্যালয়ৰ প্ৰৱৰ্ত্তনৰ বাবে, এই অধিনিয়মৰ প্ৰাৰম্ভনৰ ছয় মাহৰ ভিতৰত, কুলাধ্যক্ষৰ পূৰ্ব অনুমোদনসহ, পৰিচালনা বোৰ্ডৰ দ্বাৰা প্ৰণীত কৰা হ'ব।

(২) পৰিচালনা বোৰ্ডে, সময়ে সময়ে, নতুন বা অতিৰিক্ত পৰিনিয়ম প্ৰণয়ন কৰিব পাৰে বা উপ-ধাৰা (১)ত নিৰ্দ্দেশিত পৰিনিয়মসমূহক সংশোধন বা নিৰসিত কৰিব পাৰে ঃ

পৰন্তু পৰিচালনা বোৰ্ডে, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ স্থিতি, ক্ষমতা বা গাঁথনিক প্ৰভাৱিত কৰা কোনো পৰিনিয়ম প্ৰণয়ন, সংশোধন বা নিৰসন নকৰিব যিপৰ্য্যন্ত, এনে প্ৰাধিকাৰীক, প্ৰস্তাৱিত পৰিবৰ্তনৰ ওপৰত লিখিত ভাবে ইয়াৰ অভিমত অভিব্যক্ত কৰিবলৈ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয় আৰু এনে দৰে অভিব্যক্ত কৰা কোনো অভিমতক পৰিচালনা বোৰ্ডৰ দ্বাৰা বিবেচনা কৰা নহয়।

(৩) প্ৰত্যেক নতুন পৰিনিয়ম বা পৰিনিয়মৰ অতিৰিক্ত বা ইয়াৰ কোনো সংশোধন বা নিৰসনে কুলাধ্যক্ষৰ সন্মতিক অপেক্ষা কৰিব যিয়ে ইয়ালৈ সন্মতি দিব পাৰে বা সন্মতি প্ৰত্যাহাৰ কৰিব পাৰে বা তেওঁৰ দ্বাৰা কৰা নিৰীক্ষণক ধ্যানত ৰাখি, যদি কিবা থাকে, পুণৰ বিবেচনাৰ বাবে পৰিচালনা বোৰ্ডলৈ প্ৰেৰণ কৰিব পাৰে।

(৪) এটা নতুন পৰিনিয়ম বা এটা বিদ্যামান পৰিনিয়ম সংশোধন বা নিৰসন কৰা এটা পৰিনিয়ম, বৈধ নহ'ব যিপৰ্য্যন্ত ই কুলাধ্যক্ষৰ দ্বাৰা সন্মতিপ্ৰাপ্ত নহয়।

(৫) পূৰ্বগামী উপ-ধাৰাসমূহত কোনো কথা থকা সত্বেও, কুলাধ্যক্ষই, তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা কোনো বিষয়ৰ সম্বন্ধত পৰিনিয়মত উপবন্ধ কৰিবলৈ, বিশ্ববিদ্যালয়ক নিৰ্দ্দেশ দিব পাৰে আৰু যদিহে পৰিচালনা বোৰ্ডে, ইয়াৰ প্ৰাপ্তিৰ ষাঠি দিনৰ ভিতৰত এনে এটা নিৰ্দ্দেশ প্ৰয়োগ কৰিবলৈ অসমৰ্থ হয়, কুলাধ্যক্ষই এনে নিৰ্দ্দেশনা অনুপালন কৰিবলৈ ইয়াৰ অসামৰ্থতাৰ বাবে, পৰিচালনা বোৰ্ডৰ দ্বাৰা দিয়া কাৰণসমূহক বিবেচনা কৰাৰ পিচত, যদি কিবা থাকে, উপযুক্ত ভাবে পৰিনিয়ম প্ৰণয়ন বা সংশোধন কৰিব পাৰে।

*অধ্যাদেশ*

২৯। (১) এই অধিনিয়মৰ উপবন্ধাৱলী আৰু পৰিনিয়মসমূহৰ সাপেক্ষে, অধ্যাদেশে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ছাত্ৰসকলৰ ভৰ্ত্তিকৰণ, অধ্যয়নৰ পাঠ্যক্ৰম আৰু ইয়াৰ বাবে মাচুল, ডিগ্ৰী, উপাধি-পত্ৰ, প্ৰমান-পত্ৰ আৰু আন পাঠ্যক্ৰমৰ বাবে থকা অৰ্হা, বৃত্তিধাৰী পদ, পুৰস্কাৰ আৰু তেনে ধৰণৰ বিষয়ৰ মঞ্জুৰীৰ বাবে থকা চৰ্ত্তাৱলী ;

(খ) পৰীক্ষকৰ নিযুক্তিৰ অৱধি আৰু চৰ্ত্তাৱলী আৰীতিক অন্তৰ্ভূক্ত কৰি পৰীক্ষাসমূহৰ পৰিচালনা;

(গ) কোনো আন বিষয় যাৰ দ্বাৰা এই অধিনিয়ম বা পৰিনিয়মসমূহ, অধ্যাদেশৰ দ্বাৰা উপবন্ধিত হয় বা হ'ব পাৰে।

(২) প্ৰথম অধ্যাদেশসমূহক, পৰিচালনা বোৰ্ডৰ পূৰ্ব অনুমোদনসহ উপাচাৰ্য্যৰ দ্বাৰা প্ৰণয়ন কৰা হ'ব আৰু এনেদৰে প্ৰণীত অধ্যাদেশ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত, পৰিচালনা বোৰ্ডৰ দ্বাৰা, যিকোনো সময়ত সংশোধিত, নিৰসিত বা সংযুক্ত কৰিব পাৰে।

*বিনিয়ম*

৩০। বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰে, তেওঁলোকৰ দ্বাৰা নিয়োজিত কৰা আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত ঐই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা উপবন্ধিত নকৰা তেওঁলোকৰ নিজা ব্যৱসায় আৰু সমিতিসমূহৰ পৰিচালনাৰ বাবে, যদি কিবা থাকে, এই অধিনিয়ম, পৰিনিয়ম আৰু অধ্যাদেশৰ সুসঙ্গত বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

*বাৰ্ষিক প্ৰতিবেদন*

৩১। (১) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন, পৰিচালনা বোৰ্ডৰ নিৰ্দ্দেশনাধীনত প্ৰস্তুত কৰা হ'ব যিয়ে আন বিষয়ৰ মাজৰ পৰা ইয়াৰ উদ্দেশ্যসমূহৰ পূৰণ কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ দ্বাৰা লোৱা কাৰ্য্যব্যৱস্থাক অন্তৰ্ভুক্ত কৰিব।

(২) এনেদৰে প্ৰস্তুত কৰা বাৰ্ষিক প্ৰতিবেদন, পৰিনিয়মত বিহিত কৰা এনে তাৰিখত বা তাৰিখৰ পূৰ্বে কুলাধ্যক্ষক দাখিল কৰিব।

(৩) এনেদৰে প্ৰস্তুত কৰা বাৰ্ষিক প্ৰতিবেদনৰ এটা প্ৰতিলিপি সদস্য ৰাজ্যসমূহলৈও দাখিল কৰিব আৰু বিশ্ববিদ্যালয়ৰ ৱেবছাইটত প্ৰদৰ্শিত কৰিব।

*বাৰ্ষিক হিচাপ, ইত্যাদি।*

৩২। (১) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু উদ্ধৃত পত্ৰ, পৰিচালনা বোৰ্ডৰ নিৰ্দ্দেশনাধীনত প্ৰস্তুত কৰা হ'ব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা, প্ৰত্যেকবৰ্ষত কমেও এবাৰ আৰু পোন্ধৰ মাহৰ অনধিকৰ এটা অৱকাশত, হিচাপ পৰীক্ষা কৰা হ'ব।

(২) হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে হিচাপৰ এটা প্ৰতিলিপি, পৰিচালনা বোৰ্ডৰ, নিৰীক্ষণসমূহৰ সৈতে একেলগে, যদি কিবা থাকে, কুলাধ্যক্ষক দাখিল কৰিব।

(৩) বাৰ্ষিক হিচাপসমূহৰ ওপৰত কুলাধ্যক্ষৰ দ্বাৰা কৰা কোনো নিৰীক্ষণ, পৰিচালনা বোৰ্ডৰ দৃষ্টিলৈ আনিব আৰু এনে নিৰীক্ষণৰ ওপৰত পৰিচালনা বোৰ্ডৰ মতামত, যদি কিবা থাকে, সেইবোৰক কুলাধ্যক্ষলৈ দাখিল কৰিব।

(৪) কুলাধ্যক্ষলৈ দাখিল কৰা হিচাপৰ প্ৰতিবেদনৰ সৈতে একেলগে বাৰ্ষিক প্ৰতিবেদন আৰু বাৰ্ষিক হিচাপৰ এটা প্ৰতিলিপিও, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব যিয়ে, যথাশীঘ্ৰে, সেইবোৰক, সংসদৰ উভয় সদনত উত্থাপিত কৰিব।

(৫) সংসদৰ উভয় সদনৰ সমক্ষত প্ৰণীত হোৱাৰ পিচত, হিচাপ পৰীক্ষা কৰা বাৰ্ষিক হিচাপসমূহক, ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব।

(৬) হিচাপ পৰীক্ষা কৰা বাৰ্ষিক হিচাপসমূহৰ এটা প্ৰতিলিপিও, সদস্য ৰাজ্যসমূহলৈ দাখিল কৰা হ'ব।

*কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্তাৱলী।*

৩৩। (১) বিশ্ববিদ্যালয়ৰ প্ৰত্যেক কৰ্মচাৰীক এটা লিখিত চুক্তিৰ অধীনত নিয়োজিত কৰা হ'ব, যিটোক বিশ্ববিদ্যালয়ত উপস্থাপন কৰা আৰু যাৰ এটা প্ৰতিলিপি, সংশ্লিষ্ট কৰ্মচাৰীক প্ৰদান কৰা হ'ব।

(২) বিশ্ববিদ্যালয় আৰু কোনো কৰ্মচাৰীৰ মাজত চুক্তিৰপৰা উদ্ভৱ হোৱা কোনো বিবাদ কৰ্মচাৰীৰ অনুৰোধত, পৰিচালনা বোৰ্ডৰ দ্বাৰা নিয়োজিত এজন ব্যক্তি, সংশ্লিষ্ট কৰ্মচাৰীৰ দ্বাৰা মনোনীত এজন সদস্য আৰু কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত এজন নিৰ্ণায়কৰে গঠিত মধ্যস্থতাৰ এখন ন্যায়াধিকৰণলৈ নিৰ্দ্দেশিত কৰিব।

(৩) ন্যায়াধিকৰণৰ বিনিশ্চয়, চূড়ান্ত হ'ব আৰু ন্যায়াধিকৰণৰ দ্বাৰা বিনিশ্চিত বিষয়সমূহৰ সম্বন্ধত কোনো চিভিল ন্যায়ালয়ত কোনো বাদ নচলিব।

(৪) উপ-ধাৰা (২)ৰ অধীনত এজন কৰ্মচাৰীৰ দ্বাৰা কৰা প্ৰত্যেক অনুৰোধক, মধ্যস্থ আৰু চালিচী অধিনিয়ম, ১৯৯৬ৰ অৰ্থৰ ভিতৰত, এই ধাৰাৰ নিবন্ধৰ ওপৰত এটা মধ্যস্থলৈ এটা উপস্থাপন বুলি গন্য কৰা হ'ব।

(৫) ন্যায়াধিকৰণৰ কাৰ্য্যৰ বিনিময়নৰ বাবে থকা প্ৰক্ৰিয়াক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*ছাত্ৰৰ বিৰুদ্ধে অনুশাসনিক গোচৰত আপীল আৰু মধ্যস্থৰ প্ৰক্ৰিয়া।*

৩৪। (১) উপচাৰ্য্য অনুশাসন সমিতি বা যথাস্থিতি পৰীক্ষা সমিতিৰ আদেশ বা প্ৰস্তাৱৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ তালিকাৰ পৰা, এটা পৰীক্ষাৰ বাবে নাম কাটি দিয়া কোনো ছাত্ৰ বা পৰীক্ষাৰ্থীয়ে আৰু এবছৰতকৈ অধিক কালৰ বাবে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত অৱত্তীৰ্ণ হোৱাৰ পৰা বাৰিত হোৱা ছাত্ৰই, তেওঁৰ দ্বাৰা এনে আদেশ বা এনে প্ৰস্তাৱৰ প্ৰতিলিপি গ্ৰহণ কৰা তাৰিখৰ পৰা দহ দিনৰ ভিতৰত, পৰিচালনা বোৰ্ডলৈ আপীল কৰিব পাৰে আৰু পৰিচালনা বোৰ্ডে, উপচাৰ্য্য বা যথাস্থিতি, সমিতিৰ বিনিশ্চয় সমৰ্থন কৰিব পাৰে, পৰিৱৰ্ত্তন কৰিব পাৰে বা প্ৰত্যাৱৰ্ত্তী কৰিব পাৰে।

(২) এজন ছাত্ৰৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ দ্বাৰা লোৱা কোনো অনুশাসনিক ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদ, এনে ছাত্ৰৰ অনুৰোধত, মধ্যস্থৰ ন্যায়াধিকৰণলৈ নিৰ্দ্দেশিত কৰা হ'ব আৰু ধাৰা ৩৩ৰ উপ-ধাৰা (২), (৩), (৪) আৰু (৫)ৰ উপবন্ধাৱলী, যথাসাধ্য এই উপ-ধাৰাৰ অধীনত প্ৰনীত এটা প্ৰসঙ্গ নিৰ্দ্দেশলৈ প্ৰযোজ্য হ'ব।

*আপীল কৰাৰ অধিকাৰ।*

৩৫। বিশ্ববিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত বা ইয়াৰ বিশেষাধিকাৰলৈ স্বীকৃত কোনো অধ্যয়ন কেন্দ্ৰ বা কেন্দ্ৰ বা সংস্থাৰ প্ৰত্যেক কৰ্মচাৰী বা ছাত্ৰৰ, এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰীৰ বা কোনো অধ্যয়ন কেন্দ্ৰ বা কেন্দ্ৰ বা যথাস্থিতি, এটা সংস্থাৰ প্ৰিন্সিপাল বা ব্যৱস্থাপনাৰ বিনিশ্চয়ৰ বিৰুদ্ধে, পৰিনিয়মৰ দ্বাৰা এনে সময়ৰ ভিতৰত, পৰিচালনা বোৰ্ডলৈ, আপীল কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ ওপৰত, পৰিচালনা বোৰ্ডে, ইয়াৰ বিৰুদ্ধে কৰা আপীলৰ সিদ্ধান্ত সমৰ্থন, পৰিৱৰ্ত্তন বা প্ৰত্যাৱৰ্ত্তী কৰিব পাৰে।

*ভৱিষ্য আৰু পেন্সন নিধি।*

৩৬। বিশ্ববিদ্যালয়ে, ইয়াৰ কৰ্মচাৰীবৃন্দৰ হিতৰ বাবে, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে, এনে ৰীতিত আৰু এনে চৰ্ত্তাৱলীৰ সাপেক্ষে, ই উচিত বিবেচনা কৰা দৰে এনে ভৱিষ্য আৰু পেন্সন নিধি গঠন কৰিব বা এনে বীমা আঁচনিসমূহৰ উপবন্ধ কৰিব।

*প্ৰাধিকাৰ আৰু নিকায় সমূহৰ গঠনৰ বিষয়ে থকা বিবাদ।*

৩৭। কোনো ব্যক্তিয়ে বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰৰ বা আন নিকায়ৰ এজন সদস্যৰূপে সম্যকভাৱে মনোনীত বা নিয়োজিত হোৱা বা হ'বলৈ হ'কদাৰ হোৱাৰ বিষয়ে যদি কোনো প্ৰশ্নৰ অৱতাৰণা হয়, বিষয়টো কুলাধ্যক্ষলৈ নিৰ্দ্দেশিত কৰা হ'ব, ইয়াৰ ওপৰত যাৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

*আকস্মিক পদৰিক্তিৰ পূৰণ।*

৩৮। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰ বা আন নিকায়ৰ (পদেন সদস্যৰ ব্যতিৰেকে) সদস্যসমূহৰ মাজৰ সকলো আকস্মিক পদৰিক্তি, যথাশীঘ্ৰে, সুবিধানুসাৰে ব্যক্তি বা নিকায়ৰ দ্বাৰা পূৰণ কৰা হ'ব যিয়ে সদস্যসকলক নিযুক্তি, মনোনীত বা সহনিযুক্তি দিয়ে যাৰ স্থান ৰিক্ত হৈছে আৰু এটা আকস্মিক পদৰিক্তিলৈ এনেদৰে নিয়োজিত, নিৰ্বাচিত বা সহনিযুক্ত কোনো ব্যক্তি, অৱধিৰ অৱশিষ্টৰ বাবে এনে প্ৰাধিকাৰ বা নিকায়ৰ এজন সদস্য হ'ব যাৰ বাবে, তেওঁৰ স্থান পূৰণ কৰা ব্যক্তিজন, এজন সদস্য হ'ব।

*পদৰিক্তিৰ দ্বাৰা অবিধি মান্য নকৰা প্ৰাধিকাৰ বা নিকায়ৰ কাৰ্য্যবাহী।*

৩৯। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰ বা কোনো আন নিকায়ৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী, ইয়াৰ সদস্যসকলৰ মাজৰ কোনো পদৰিক্তি বা পদৰিক্তিসমূহৰ কেৱল বিদ্যমানতাৰ কাৰণৰ বাবে বিধিমান্য নহ'ব।

## নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০

*সজবিশ্বাসত লোৱা কাৰ্য্য-ব্যৱস্থাৰ সুৰক্ষা।*

৪০। এই অধিনিয়মৰ উপবন্ধাৱলীসমূহৰ যিকোনোটোৰ, পৰিনিয়ম বা অধ্যাদেশৰ অনুসৰণত সজবিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত হোৱা কোনো কাৰ্য্যৰ বাবে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা কৰ্মচাৰীৰ বিৰুদ্ধে, কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী নচলিব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৪১। (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ, জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় আৰু সমীচীন বুলি ইয়াৰ প্ৰতীত হোৱাত, এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা তিনি বছৰৰ এটা অৱধিৰ অৱসানৰ পিচত, এই ধাৰাৰ অধীনত এনে কোনো আদেশ প্ৰণয়ন কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণীত কৰাৰ পিচত যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

*পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়ম চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত হ'ব আৰু সংসদত উত্থাপিত কৰা হ'ব।*

৪২। (১) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক, পৰিনিয়ম, অধ্যাদেশ বা বিনিয়ম, ভাৰতৰ ৰাজপত্ৰত আৰু বিশ্ববিদ্যালয়ৰ ৱেবছাইটত প্ৰকাশিত কৰা হ'ব।

(২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম, অধ্যাদেশ বা বিনিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত, যথাশীঘ্ৰে, অধিবেশন চলি থকা সময়ত, এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে সংসদৰ উভয় সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে, পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মত কোনো সালসলনি কৰাত সন্মত হয় বা উভয় সদন সন্মত হয় যে পৰিনিয়ম, অধ্যাদেশ বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে ইয়াৰ পিচত পৰিনিয়ম, অধ্যাদেশ বা বিনিয়ম কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী বা যথাস্থিতি প্ৰভাৱহীন হ'ব; সেয়ে হলেও এনে সালসলনি বা ৰদকৰণে, সেই পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

*সংক্ৰমনকালীন উপবন্ধ।*

৪৩। এই অধিনিয়ম আৰু পৰিনিয়মত কোনো কথা থকা স্বত্বেও,

(ক) প্ৰথম পঞ্জীয়ক আৰু প্ৰথম বিত্ত পদাধিকাৰীক পৰিচালনা বোৰ্ডৰ দ্বাৰা নিয়োজিত কৰা হ'ব আৰু উক্ত পদাধিকাৰীসকলৰ প্ৰত্যেকেই, তিনি বছৰৰ এটা অৱধিৰ বাবে পদধাৰণ কৰিব;

(খ) বোৰ্ডৰ প্ৰথম অধ্যয়ন কেন্দ্ৰ এঘাৰজন সদস্যৰ অনধিক সদস্যৰে গঠিত হ'ব, যাক, পৰিচালনা বোৰ্ডৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু তেওঁলোকে তিনি বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব;

(গ) প্ৰথম বিদ্যা পৰিষদখন, উন্নৈশজন সদস্যৰ অনধিক সদস্যৰে গঠিত হ'ব যাক পৰিচালনা বোৰ্ডৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু তেওঁলোকে তিনি বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব ঃ

পৰন্তু উপৰোক্ত কাৰ্য্যলয় বা প্ৰাধিকাৰত যদিহে কোনো পদৰিক্ত হয়, একেবোৰক পৰিচালনা বোৰ্ডৰ দ্বাৰা নিযুক্তি বা যথাস্থিতি মনোনীত কৰি পূৰণ কৰা হ'ব আৰু এনেদৰে নিযুক্ত বা মনোনীত ব্যক্তিয়ে, পদাধিকাৰী বা সদস্যৰূপে সিমান দিনলৈ পদ ধাৰণ কৰিব যাৰ স্থানত তেওঁ নিয়োজিত বা মনোনীত হৈছে, পদ ধাৰণ কৰিলেহেঁতেন, যদিহে এনে পদৰিক্তি নহ'লহেঁতেন।

## নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০

*নালন্দা বিশ্ববিদ্যালয় অধিনিয়মৰ নিৰসন।*

৪৪। (১) নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ ইয়াৰ দ্বাৰা নিৰসিত।

(২) এনে নিৰসন স্বত্বেও,—

(ক) নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ৰ অধীনত দিয়া সকলো নিযুক্তি, জাৰি কৰা আদেশ, প্ৰদান কৰা ডিগ্ৰী আৰু আন শৈক্ষিক বৰেণ্যতা আৰু প্ৰদান কৰা প্ৰমান-পত্ৰ মঞ্জুৰ কৰা সা-সুবিধা বা কৰা আন কাৰ্য্যক, এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত যথাক্ৰমিক ভাবে দিয়া, জাৰি কৰা, প্ৰদত্ত, প্ৰদান কৰা, মঞ্জুৰ কৰা বা কৰা বুলি গণ্য কৰা হ'ব আৰু এই অধিনিয়ম বা পৰিনিয়মত দ্বাৰা বা অধীনত অন্যথা উপবন্ধিত ব্যতিৰেকে বলৱৎ থাকিব যেতিয়ালৈকে আৰু যিপৰ্য্যন্ত এই অধিনিয়ম বা পৰিনিয়মৰ অধীনত প্ৰণীত কোনো আদেশৰ দ্বাৰা সেইবোৰক অতিক্ৰমণ কৰা নহয়; আৰু

(খ) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে থকা শিক্ষকসকলৰ নিযুক্তি বা পদোন্নতিৰ বাবে নিৰ্বাচন সমিতিৰ সকলো কাৰ্য্যবাহী আৰু এনে নিৰ্বাচন সমিতিৰ চুপাৰিছৰ সম্বন্ধত পৰিচালনা বোৰ্ডৰ সকলো কাৰ্য্য য'ত, ইয়াৰ আধাৰত নিযুক্তিৰ কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে পাৰিত হোৱা নাছিল, নিৰ্বাচনৰ বাবে প্ৰক্ৰিয়া, এই অধিনিয়মৰ দ্বাৰা পৰিৱৰ্ত্তিত হোৱা স্বত্তেও, বৈধ বুলি গণ্য কৰা হ'ব কিন্তু এনে লম্বিত নিৰ্বাচনৰ সম্বন্ধত অতিৰিক্ত কাৰ্য্যবাহী, এই অধিনিয়মৰ উপবন্ধৰ অনুসৰণত লোৱা হ'ব আৰু এনে স্তৰলৈ চলি থাকিব য'ত সেইবোৰ, এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে আছিল, অন্যথা যদিহে সংশ্লিষ্ট প্ৰাধিকাৰে, কুলাধ্যক্ষৰ সংমোদনসহ, এটা প্ৰতিকূল হোৱা বিনিশ্চয় লয়।

• • •

নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০

# THE NALANDA UNIVERSITY ACT, 2010

## পৰিভাষা

## GLOSSARY OF TERMS

| Reference | English Term | Assamese Equivalent |
|---|---|---|
| Preamble | Summit | শীৰ্ষ সন্মিলন |
| Preamble | Tapping | গোটাইলৈ |
| Preamble | Excellence | উৎকৰ্ষ |
| Preamble | Revival | পুণৰ আৰম্ভ |
| Preamble | Appreciation | বুজা-পৰা |
| 9 (b) | Vision | দূৰদৃষ্টি |
| 9 (b) | Perspectives | যথাৰ্থদৃষ্টি |
| 10 (i) | Holistic | সামগ্ৰিক |
| 10 (ii) | Consortium | জোঁট |
| 10 (x) | Emoritus | প্ৰতিষ্ঠিত |
| 10 (xxii) | Fellowship | গৱেষণা বৃত্তি |
| 10 (xxiii) | Endowment | স্থায়ী নিধি |
| 3 (2) | Umpire | নিৰ্ণায়ক |

ৰাষ্ট্ৰপতিয়ে নালন্দা বিশ্ববিদ্যালয় অধিনিয়ম, ২০১০ (২০১০ৰ অধিনিয়ম সংখ্যা ৩৯)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখ ঃ

The above translation in Assamese of The Nalanda University Act, 2010 (Act No. 39 of 2010) has been authorised by the President to be published in the Official Gazette under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৩-০৬-১৯*